# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

## ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)

**নুনমাটি, গুৱাহাটী-৭৮১০২০**

Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), email : assamjatiyabidyalay@gmail.com, website : assamjatiyabidyalay.com


দিনাংক : ২৯/০৩/২০১৯

প্ৰতি,

সভাপতি/সচিব

পৰিচালনা সমিতি

.......................................................................

প্ৰিয় সতীৰ্থ,

অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি) আৰ্হিত বা অনুপ্ৰেৰণাৰে অসমৰ বিভিন্ন প্ৰান্তত ব্যক্তিগত খণ্ডত বহুতো মাতৃভাষা মাধ্যমৰ বিদ্যালয় গঢ়ি উঠা প্ৰক্ৰিয়াটো ইতিমধ্যে "জাতীয় বিদ্যালয় আন্দোলন" হিচাপে বহুতেই অভিহিত কৰিছে। জাতীয় বিদ্যালয় ধাৰাটোৰ লগত জড়িত বিদ্যালয়সমূহৰপৰা অসমৰ জনসাধাৰণৰ প্ৰত্যাশাও দিনে দিনে বৃদ্ধি হৈ গৈ আছে। এনে প্ৰত্যাশাই আমাৰ দায়িত্ব আৰু দায়বদ্ধতাও স্বাভাৱিকতে বৃদ্ধি কৰিছে।

ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ ক্ৰমবৰ্দ্ধমান আগ্ৰাসনৰ বিপৰীতে "মাতৃভাষা মাধ্যমত শিক্ষাদানৰ বিজ্ঞানসন্মত নীতি"ৰ আধাৰত অসম জাতীয় বিদ্যালয়ৰ আদৰ্শৰে আন বহুতো বিদ্যালয় অসমৰ চুকে-কোণে গঢ়ি উঠিছে। এয়া এক ইতিবাচক কথা বুলি বিবেচনা কৰি আৰু বিদ্যালয় পৰিচালনা আৰু আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰত থকা কিছু অসুবিধা আৰু সীমাবদ্ধতাৰ কথা মনত ৰাখি "অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত প্ৰতিষ্ঠিত" বুলি ঘোষিত বিদ্যালয়সমূহৰ কাৰ্যপদ্ধতি বা গুণগত মানৰ বিষয়টো আমি কঠোৰ নিৰীক্ষণৰ আওতালৈ অনাৰপৰা ইমানদিনে বিৰত আছিলোঁ।

জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তী অতিক্ৰম কৰাৰ পিছত এনে গুণগত মানৰ দিশটো নিয়মীয়া আৰু নিয়াৰিকৈ নিৰীক্ষণ কৰা তথা "জাতীয় বিদ্যালয়" বা অনুৰূপ নামেৰে পৰিচিত বিদ্যালয়সমূহত এক আদৰ্শনীয় গুণগত মান বৰ্তাই ৰখাটো আমাৰ আটাইৰে বাবে এক গধুৰ দায়িত্ব বুলি আমি অনুভৱ কৰিছোঁ। এনে দায়িত্ববোধৰ ভেটিতেই অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে (এজবেক) নিম্নলিখিত ব্যৱস্থাৱলী ৰূপায়ণ কৰাৰ পৰিকল্পনা কৰিছে। এনে ব্যৱস্থাৱলীৰ অংশ হিচাপে অসম জাতীয় বিদ্যালয়ৰ আৰ্হিত প্ৰতিষ্ঠিত বুলি ঘোষণা কৰা বিদ্যালয়সমূহে কিছুমান চৰ্ত পালন কৰিব লাগিব। যেনে—

**চৰ্তাৱলী**

(১) অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জী অনুসৰণ কৰিব লাগিব।

(২) অংকুৰ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ এজবেকৰ দ্বাৰা অনুমোদিত পাঠ্যপুথি গ্ৰহণ কৰিব লাগিব।

(৩) অসম জাতীয় বিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত পাঠ-পৰিকল্পনা অনুসৰণ কৰিব লাগিব।

(৪) প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ সকলো বিষয়ৰ প্ৰশ্নকাকত এজবেকৰ পৰা গ্ৰহণ কৰিব লাগিব।

(৫) এজবেকৰ দ্বাৰা যিকোনো সময়ত হ'ব লগা বিদ্যালয় পৰিদৰ্শনত সহযোগ কৰিব লাগিব।

(৬) এজবেকৰ দ্বাৰা আয়োজিত সভা, আলোচনা বা আন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব লাগিব।

(৭) এজবেকৰ পঞ্জীয়ন প্ৰক্ৰিয়াত সহযোগ কৰি পঞ্জীয়নভুক্ত হোৱাৰ ব্যৱস্থা কৰিব লাগিব।

(৮) এজবেকৰ নীতি-নিৰ্দেশনাত সন্নিৱিষ্ট নিৰ্দেশাৱলী পালন কৰিব লাগিব।

(৯) প্ৰত্যেক বিদ্যালয়ৰ ই-মেইল ঠিকনা থকাটো বাঞ্ছনীয়। এনে ই-মেইল যিকোনো এণ্ড্ৰইড ফ'নতেই ৰখাটো সম্ভৱ।

সকলো বিদ্যালয়ে আমাৰ ৱেবছাইট www.assamjatiyabidyalay.com নিয়মীয়াকৈ খুলি চোৱাটো জৰুৰী। যিকোনো তথ্য বা জনাবলগীয়া কথা থাকিলে আমাৰ ই-মেইল assamjatiyabidyalay@gmail.comত পঠিয়াব পাৰিব। বিদ্যালয়সমূহে অসম জাতীয় বিদ্যালয়ৰ কাৰ্যালয়ত দি থোৱা টেলিফ'ন নম্বৰ সলনি হ'লে যথা সম্ভৱ সোনকালে যোগাযোগৰ নতুন নম্বৰ অসম জাতীয় বিদ্যালয়ৰ কাৰ্যালয়ত পুনৰ জমা দিয়াটো জৰুৰী।

## পৰিকল্পনা/পদক্ষেপ

- এনে চৰ্তাৱলী মানি চলিবলৈ সন্মত হোৱা আৰু তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কাৰ্যকৰী কৰা বিদ্যালয়সমূহৰ জিলাভিত্তিক তালিকা এজবেকে প্ৰস্তুত কৰিব।
- এনে তালিকা প্ৰতি বছৰে ৰাজহুৱাভাৱে প্ৰকাশ কৰা হ'ব। শিৰোনাম হ'ব এই ধৰণৰ—
  "অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি, গুৱাহাটী) আৰ্হিত প্ৰতিষ্ঠিত আৰু অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ (এজবেক) দ্বাৰা অনুমোদিত/স্বীকৃত বিদ্যালয়সমূহৰ তালিকা"
- অসম জাতীয় বিদ্যালয়ৰ (নুনমাটি, গুৱাহাটী) আৰ্হিত প্ৰতিষ্ঠিত বুলি স্থানীয়ভাৱে প্ৰচাৰ আৰু দাবী কৰা কোনো বিদ্যালয়ৰ নাম এনে তালিকাত প্ৰকাশৰ বাবে যোগ্য বিবেচিত নহ'লে তাৰ দায়িত্ব এজবেকে গ্ৰহণ নকৰে।
- ২০২০ শিক্ষাবৰ্ষৰপৰা কাৰ্যকৰী হোৱাকৈ এনে ব্যৱস্থা বলবৎ কৰাৰ পৰিকল্পনা কৰা হৈছে।

অহা ২৮-০৪-২০১৯ তাৰিখে হ'বলগীয়া এজবেকৰ প্ৰতিনিধিমূলক সভাত উপৰোক্ত প্ৰস্তাৱসমূহ বিতংভাৱে আলোচনা কৰা হ'ব। এই বিষয়ে প্ৰতিখন বিদ্যালয়ৰ কৰ্তৃপক্ষই শীঘ্ৰেই আলোচনা কৰি প্ৰয়োজনীয় সিদ্ধান্ত ল'বলৈ আৰু উক্ত সভাত এই সম্পৰ্কে মতামত দাঙি ধৰিবলৈ অনুৰোধ জনোৱা হৈছে।

## সহযোগিতাৰ আশাৰে

মাতৃভাষা মাধ্যমৰ বিজ্ঞানসন্মত শিক্ষা পদ্ধতিৰ প্ৰতি আস্থা স্থাপনেৰে অসমৰ ভৱিষ্যৎ প্ৰজন্মৰ শিক্ষা আৰু ভাষা-সংস্কৃতিৰ সংৰক্ষণ, সংবৰ্ধনৰ বাবে নিস্বাৰ্থভাৱে আগবাঢ়ি অহা সকলো সতীৰ্থলৈ আছে আমাৰ গভীৰ শ্ৰদ্ধা আৰু আন্তৰিকতা। আমাৰ শিক্ষা ব্যৱস্থা, স্বকীয় পৰিচয়, ভাষা-সংস্কৃতি আদিৰ প্ৰতি আহি পৰা ক্ৰমবৰ্ধমান প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ আমি সকলোৱে এক নীতি-আদৰ্শৰ আধাৰত ঐক্যবদ্ধভাৱে আগবাঢ়ি যোৱাটো অতিশয় প্ৰয়োজনীয় হৈ পৰিছে।

'জাতীয় বিদ্যালয়' ধাৰাটোৰ সাৰ্থক ৰূপায়ণৰ ক্ষেত্ৰত কোনো ধৰণৰ অপৰিকল্পিত কাম, আবেগিক আচৰণ আৰু সংকীৰ্ণ স্বাৰ্থই যাতে আমাক দিক্‌ভ্ৰান্ত কৰিব নোৱাৰে তাৰ বাবে আমি সংকল্পবদ্ধ হৈ দৃঢ়তাৰে আগবাঢ়ি যাব লাগিব।

| | |
|---|---|
| **(ৰঞ্জিত নাৰায়ণ ডেকা)** | **(ড° নাৰায়ণ শৰ্মা)** |
| অধ্যক্ষ | সচিব |
| অজাবি শিক্ষা সংসদ | অজাবি শিক্ষা সংসদ |

# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)

**নুনমাটি, গুৱাহাটী-৭৮১০২০**

Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), email : assamjatiyabidyalay@gmail.com, website : assamjatiyabidyalay.com


দিনাংক : ২৯/০৩/২০১৯

প্ৰতি,
সভাপতি/সচিব
পৰিচালনা সমিতি
......................................................................

**বিষয় :** ২৮.০৪.২০১৯ তাৰিখে অনুষ্ঠিত হ'বলগীয়া অজাবি শিক্ষা সংসদৰ দ্বাৰা আয়োজিত সভালৈ আমন্ত্ৰণ

সন্মানীয়/সন্মানীয়া,

অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জীত উল্লেখ থকা অনুসৰি অহা ২৮-০৪-২০১৯ তাৰিখ দেওবাৰে এজবেকৰ নীতি-নিৰ্দেশনাৰ আধাৰত প্ৰতিষ্ঠিত বিদ্যালয়সমূহৰ প্ৰতিনিধিসকলৰ অংশগ্ৰহণেৰে এখন সভা অনুষ্ঠিত হ'ব। উক্ত সভাত এজবেকৰ শৈক্ষিক আৰু সাংগঠনিক দিশৰ কেইটামান অতি গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হ'ব। এই পত্ৰৰ লগত গাঁঠি দিয়া পত্ৰখনত এই বিষয়ে বিতংভাৱে উল্লেখ কৰা হৈছে। এই গুৰুত্বপূৰ্ণ সভাখনত প্ৰতিখন বিদ্যালয়ৰ দুগৰাকীকৈ প্ৰতিনিধিৰ (পৰিচালনাৰ সৈতে সক্ৰিয়ভাৱে জড়িত বিষয়ববীয়া) উপস্থিতি কামনা কৰা হৈছে। আশা কৰোঁ আপোনালোকৰ অংশগ্ৰহণে সভাখনৰ কাৰ্যসূচীসমূহ সফলভাৱে ৰূপায়িত হোৱাত সহায় কৰিব।

**বিশেষ দ্ৰষ্টব্য :**

১) সভাত উপস্থিত থাকিবলগীয়া প্ৰতিনিধিসকলে ২৩.০৪.২০১৯ তাৰিখৰ আগতে অজাবি-ৰ কাৰ্যালয়লৈ ফ'ন কৰি জনাব।

২) প্ৰয়োজন সাপেক্ষে প্ৰতিনিধিসকলৰ বাবে সভাৰ আগদিনা আৰু সভাৰ দিনা ৰাতি থকাৰ ব্যৱস্থা কৰা হ'ব। কিন্তু এই বিষয়ে প্ৰতিনিধিসকলে ২৩.০৪.২০১৯ তাৰিখৰ আগতে কাৰ্যালয়লৈ ফ'ন কৰি জনাব লাগিব।

৩) সভাৰ স্থান : জিলা পুথিভঁৰাল, গুৱাহাটী

সময় : পুৱা ১০ বজাৰ পৰা

শ্ৰদ্ধাৰে—

**(ৰঞ্জিত নাৰায়ণ ডেকা)**
অধ্যক্ষ
অজাবি শিক্ষা সংসদ

**(ড° নাৰায়ণ শৰ্মা)**
সচিব
অজাবি শিক্ষা সংসদ